# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৬ খন ৰাজ্যৰ বাবে বিকশিত ভাৰত, বিকশিত উত্তৰ-পূৰ্বাঞ্চলৰ অধীনত বিভিন্ন প্ৰকল্প উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ত্ৰিপুৰাৰ বাবে প্ৰায় ১২টা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। লোকসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলে কালি পদত্যাগ কৰে।

৪। ফ্ৰেন্স অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটী সাত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে কোৰিয়াৰ কাং মিন হ্যুক আৰু ছিউ সেউং জেৰ যুটীটোক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেটত দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি উত্তৰ-পূৰ্বাঞ্চলৰ ৬ খন ৰাজ্যৰ বাবে ৫৫ হাজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষে বিকশিত ভাৰত, বিকশিত উত্তৰ-পূৰ্বাঞ্চলৰ অধীনত বিভিন্ন প্ৰকল্প উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে মণিপুৰৰ বাবে ৩ হেজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মণিপুৰৰ ইম্ফলত প্ৰধানমন্ত্ৰীৰ বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত সভাত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ লগতে কেবিনেট মন্ত্ৰী, বিধায়ক জ্যেষ্ঠ প্ৰশাসনিক আৰু আৰক্ষী বিষয়াসকল উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী এন বীৰেন সিঙে কয় যে, নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে বৃহৎ পৰিৱৰ্তনৰ সাক্ষী হৈছে। তেওঁ লগতে প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা বিভিন্ন প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰে। ৰাজ্যখনত ১৪৯ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া ইউনিটী মলৰ আধাৰশিলা স্থাপনৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এই ভৱনটোত ৰাজ্যখনৰ সকলো সম্প্ৰদায়ৰে পৃথক বিপণী থাকিব। ইউনিটী মল নিৰ্মাণত অনুমোদন জনোৱাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জনায়। ইয়াৰ লগতে প্ৰসূতি আৰু শিশু চিকিৎসালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাম আৰম্ভ কৰাৰ বাবেও প্ৰধানমন্ত্ৰীক তেওঁ কৃতজ্ঞতা জনায়। আনহাতে, ৫৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মণিপুৰ প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পই ৰাজ্যখনৰ যুৱক-যুৱতীসকলক উপকৃত কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অৰুণাচল প্ৰদেশৰ ইটানগৰ ভ্ৰমণৰ সময়ত ভাৰ্চুৱেল ব্যৱস্থাৰে ত্ৰিপুৰাৰ বাবে ৮ হাজাৰ ৫৩৪ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় ১২টা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত আগৰতলাৰ পশ্চিম বাইপাছৰ নিৰ্মাণ অন্যতম। তেওঁ আগৰতলা পশ্চিম বাইপাছৰ লগতে বহুকেইটা পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ১ লাখ ৪৪ হাজাৰ গ্ৰাম্য পৰিয়াললৈ নল যোগে পানী যোগানৰ প্ৰকল্পও মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ২৩০ কোটি টকাৰে নিৰ্মিত দক্ষিণ ত্ৰিপুৰাৰ  চাবৰুমৰ সংহত তালাচী চকীত এটা বন্দৰৰো উদ্বোধন কৰে। নতুনকৈ বিকশাই তোলা এই বন্দৰটো ভাৰত আৰু বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অৱস্থিত। ইয়াৰ জৰিয়তে বাংলাদেশৰ ছত্ৰগ্ৰাম বন্দৰলৈকে বয়বস্তু আৰু যাত্ৰী পৰিবহণৰ সুবিধা থাকিব। উল্লেখযোগ্য যে, ২০২১ চনৰ মাৰ্চত প্ৰধানমন্ত্ৰীয়ে এই বন্দৰটোৰ আধাৰশিলা স্থাপন কৰিছিল। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী শ্ৰীমাণিক সাহাৰ লগতে তেওঁৰ কেবিনেটৰ ৬ গৰাকী মন্ত্ৰী, পূব ত্ৰিপুৰা লোকসভা সমষ্টিৰ সাংসদ ৰেৱতি ত্ৰিপুৰা আৰু চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ত্ৰিপুৰাত মুখ্যমন্ত্ৰী শ্ৰীসাহাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনৰ বিকাশৰ গতি ক্ৰমান্বয়ে বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নতি অবিহনে দেশৰ সামগ্ৰীক উন্নতি সম্ভৱ নহয় বুলি প্ৰধানমন্ত্ৰীয়ে সততে উল্লেখ কৰে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে চৰকাৰৰ এক্ট ইষ্ট পলিচী অৰ্থাৎ পূৱৰ কৰ্ম নীতিক কৃতজ্ঞতা জনাই কয় যে, এই নীতিৰ বাবেই ত্ৰিপুৰাই প্ৰকৃতাৰ্থত বিকাশৰ দিশে অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে। চাবৰুমত নতুনকৈ বিকশাই তোলা বন্দৰটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু বাংলাদেশৰ মাজত যোগাযোগ, বাণিজ্য আৰু পৰ্যটন ক্ষেত্ৰত বৰঙণি যোগাব। প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বৰ অধীনত এই প্ৰকল্পসমূহে ৰাজ্যখনত বিকাশৰ নতুন দুৱাৰ মুকলি কৰিব বুলিও শ্ৰীসাহাই মন্তব্য উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কালি উত্তৰ প্ৰদেশৰ বাৰাণসীত উপস্থিত হয়। বাৰাণসী সংসদীয় সমষ্টিৰ পৰা তৃতীয়বাৰৰ বাবে লোকসভাৰ প্ৰাৰ্থী হিচাপে থিয় দিয়াৰ পাছত এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথমটো কাশী ভ্ৰমণ। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ আৰু ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি ভূপেন্দ্ৰ চৌধুৰীয়ে লালবাহাদুৰ শাস্ত্ৰী বিমান বন্দৰত তেওঁক আদৰণি জনায়। স্থানীয় জনসাধাৰণ, বিজেপিৰ দলীয় কৰ্মকৰ্তা তথা সাংসদসকলে পুষ্পবৃষ্টিৰে প্ৰধানমন্ত্ৰীক আদৰণি জনায়। প্ৰধানমন্ত্ৰীক আদৰিবৰ বাবে বিমান বন্দৰৰ পৰা কাশী বিশ্বনাথ ধামলৈ মুঠ ৩২ খন তোৰণ নিৰ্মাণ কৰা হয়।

শ্ৰীমোদীয়ে প্ৰথমে কাশী বিশ্বনাথ ধামত উপস্থিত হৈ ভগৱান শিৱৰ পূজা অৰ্চনা কৰে। ইয়াৰ পাছত তেওঁ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত দলীয় নেতা-কৰ্মীসকলৰ মতামত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে আজি পুৱা আজমগড়ত এটা বিমান বন্দৰ মুকলি কৰিব। তেওঁ লগতে ৰাজ্যখনত ৪২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে  আজমগড় জিলাৰ এয়াৰষ্ট্ৰীপৰ সমীপত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে চুহেলদেৱ ৰাজ্যিক বিশ্ববিদ্যালয় ভ্ৰমণ কৰিব।

০০০০০

লোকসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলে কালি পদত্যাগ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ৰীগোৱেলৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰে। শ্ৰীগোৱেলৰ পদত্যাগৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন পেনেলত বৰ্তমান দুটাকৈ পদ খালী হৈ ৰয়। ২০২২ চনৰ নৱেম্বৰত তেওঁ নিৰ্বাচন আয়ুক্তৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

০০০০০

ভাৰতীয় জনতা পাৰ্টী, তেলেগু দেশম পাৰ্টী আৰু জনসেনা পাৰ্টীয়ে সমাগত লোকসভা আৰু অন্ধ্ৰ প্ৰদেশ বিধানসভা নিৰ্বাচনত একেলগে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। বিজেপিৰ সভাপতি জে পি নাড্ডা, টি ডি পিৰ সভাপতি এন. চন্দ্ৰবাবু নাইডু, জনসেনা পাৰ্টীৰ মুৰববী পৱন কল্যাণে কালি এটা যুটীয়া বিবৃতি যোগে কয় যে, তেলেগু দেশম পাৰ্টী আৰু জনসেনা পাৰ্টীৰ সৈতে বিজেপিৰ মিত্ৰতাই অন্ধ্ৰপ্ৰদেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ সহায় কৰিব। দল কেইটাই আসন ভাগ বটোৱাৰৰ বিষয়ে দুই এদিনতে আলোচনাৰ জৰিয়তে সিদ্ধান্ত ল'ব। উল্লেখযোগ্য যে, তেলেগু দেশম পাৰ্টীয়ে ১৯৯৪ চনত এন ডি এত যোগদান কৰাৰ লগতে অটল বিহাৰী বাজপেয়ী আৰু নৰেন্দ্ৰ মোদী চৰকাৰৰ সৈতে সফলতাৰে কাম কৰি আছে। ২০১৪ চনত দুয়োটা দলে লোকসভা আৰু বিধানসভা নিৰ্বাচনত মিত্ৰদল হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

ooooo

মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে কৈছে যে, বিজেপিয়ে সমাগত লোকসভা নিৰ্বাচনৰ ৮০ শতাংশ আসনৰ বাবে প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিছে আৰু বিতং আলোচনাৰ পাছত শীঘ্ৰে এই নামসমূহ ঘোষণা কৰা হ'ব। নাগপুৰত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয় যে, মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনা হিন্দুত্বৰ বিষয়ত বিজেপিৰ সৈতে এক মত। তেওঁ এটা আলোচনাত মহাবিতৰণৰ চুক্তিভিত্তিক কৰ্মচাৰীসকলৰ উদ্বেগক লৈও মত ব্যক্ত কৰে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

ooooo

পাকিস্তান পিপলছ পাৰ্টীৰ সহ অধ্যক্ষ আছিফ আলি জৰদাৰী পাকিস্তানৰ চতুৰ্দশ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছে। শ্ৰীজৰদাৰী দ্বিতীয়বাৰৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, শ্ৰীজৰদাৰী পাকিস্তান পিপলছ পাৰ্টী আৰু পাকিস্তান মুছলিম লীগ-নৱাজৰ যুটীয়া প্ৰাৰ্থী হোৱাৰ বিপৰীতে তেওঁৰ প্ৰতিদ্বন্দ্বী মহম্মদ খান আছাকজাই হৈছে চুন্নী ইট্টিহাদ কাউন্সিলৰ প্ৰাৰ্থী। পাকিস্তান নেচনেল এচেম্বলী আৰু চিনেটত শ্ৰীজৰদাৰীয়ে ২৫৫টা ভোট লাভ কৰাৰ বিপৰীতে বিৰোধী প্ৰাৰ্থীগৰাকীয়ে ১১৯টা ভোট লাভ কৰে।

ooooo

ফ্ৰেন্স অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটী সত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে কোৰিয়াৰ কাং মিন হ্যুক আৰু ছিউ সেউং জেৰ যুটীটোক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। কালি পেৰিছত অনুষ্ঠিত ছেমি ফাইনেলত বিশ্বৰ শীৰ্ষ বাছনিৰ ভাৰতীয় যুটীটোৱে কোৰিয়াৰ যুটীটোক ২১-১৩, ২১-১৬ পোনপটীয়া

গেমত পৰাস্ত কৰে। ইপিনে পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত লক্ষ সেন বিশ্বৰ অষ্টম বাছনিৰ থাইলেণ্ডৰ খেলুৱৈ কুনলাবুটৰ হাতত ২১-১৯, ১৩-২১, ১১-২১ গেমত পৰাস্ত হয়।

০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেটত দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। গুজৰাটে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। গুজৰাটৰ হৈ দয়ালান হেমলতাই ৭৪ আৰু বেথ মুনিয়ে ৬৬ ৰান কৰে। প্ৰত্যুত্বৰত মুম্বাই ইণ্ডিয়ানছে ১৯ অভাৰ ৫টা বলত হৰমনপ্ৰীত কৌৰৰ ৯৫ আৰু য়াষ্টিকা ভাটিয়াৰ ৪৯ ৰানৰ সহায়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

অৰুণ জেটলী ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত দেলহি কেপিটেলছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**